অসমীয়া প্ৰতিদিন

অসমীয়া প্ৰতিদিন ■ গুৱাহাটী ■ বৃহস্পতিবাৰ, ১৫ ফেব্ৰুৱাৰী, ২০২৪/২ ফাগুন, ১৯৪৫ শক

### ডিব্ৰু মহাবিদ্যালয়ত বাগদেৱীৰ শ্ৰীচৰণত জনালে সেৱা

# যুৱ বন্ধুৰে বাৰ্তালাপ কেন্দ্ৰীয় মন্ত্ৰী সোনোৱালৰ

## জ্ঞানৰ পোহৰেৰে সকলোৰে জীৱন আলোকিত হৈ উঠাৰ কামনা কেন্দ্ৰীয় মন্ত্ৰীৰ



প্ৰতিদিন সংবাদ, ডিব্ৰুগড়, ১৪ ফেব্ৰুৱাৰী ঃ বিজেপিৰ গাঁও চলো অভিযানৰ অংশৰূপে কালি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ তথা আয়ুস মন্ত্ৰী সৰ্বানন্দ সোনোৱালে টিংখাং সমষ্টিত নিশাটো কটোৱাৰ পাচত আজি পুৱা একেটা অভিযান অনুসৰি স্বচ্ছতা, আত্মনিৰ্ভৰশীলতা আৰু প্ৰযুক্তিবিদ্যাৰে উদ্ভাসিত আদৰ্শ গাঁও ভ্ৰমণ কৰি ৰাইজৰ সৈতে মত বিনিময় কৰে। প্ৰসংগতে তেওঁ গাঁওবাসীৰ শলাগ লোৱাৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এই গাঁৱৰ ৰাইজৰ সৈতে বাৰ্তালাপ কৰাৰ ■ ১১ পৃষ্ঠাত

## যুৱ বন্ধুৰে বাৰ্তালাপ কেন্দ্ৰীয় মন্ত্ৰী

বিষয়ে উল্লেখ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গাঁওবাসীয়ে পৰিষ্কাৰ-পৰিচ্ছন্নতা বজাই ৰখাত সন্তোষ প্ৰকাশ কৰি গান্ধীজীৰ আদৰ্শৰে জীৱন যাত্ৰাত পৰিষ্কাৰ-পৰিচ্ছন্নতা আগলৈও বজাই ৰাখিবলৈ আহ্বান জনায়। পৰিষ্কাৰ-পৰিচ্ছন্নতাই ঈশ্বৰপৰায়ণতা বুলি উল্লেখ কৰি সোনোৱালে কয় যে য'তেই পৰিষ্কাৰ তাতেই সংস্কাৰ। এই আদৰ্শই উঠি অহা প্ৰজন্মক মানৱীয় মূল্যবোধৰ আধাৰত জীৱন গঢ় দিয়াত সহায় কৰিব বুলি আশা প্ৰকাশ কৰে। পাচত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড়ৰ ডিব্ৰু মহাবিদ্যালয়ত উপস্থিত হৈ সৰস্বতী পূজাৰ আধ্যাত্মিকতা আৰু আনন্দ-উলাহৰ মাজত যুৱ বন্ধুসকলৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলেৰে বাৰ্তালাপ কৰে। জ্ঞানৰ পোহৰেৰে সকলোৰে জীৱন আলোকিত হৈ উঠাৰ কামনাৰে তেওঁ বাগদেৱীৰ শ্ৰীচৰণত সেৱা জনায়।